# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ পঞ্চম  বিষয় ঃ ভাষা- ১ (অসমীয়া)  দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন) ২০১৮ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ** (Grey Area) **- পঠন কৌশল**
(গুণোৎসৱৰ /নাচ (NAS) -২০১৭ ৰ ফলাফল অনুসৰি)

শিকন ফলাফল উপক্ষেত্ৰ ঃ -

**ক) যুক্তাক্ষৰ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধকৈ উচ্চাৰণ কৰি যুক্তাক্ষৰযুক্ত শব্দ পঢ়িব পৰা হ'ব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব পৰা হ'ব।

**খ) যতিচিহ্ন**

⇨ ছাত্ৰ-ছাত্ৰীয়ে দাড়ি, কমা, প্ৰশ্নবোধক, ভাৱবোধক, উৰ্ধকমাৰ ব্যৱহাৰ কৰিব পৰা হ'ব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে যথাযথ বিৰতি দি পঠনৰ বেগ বৃদ্ধি কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল/ মে/জুন)লৈকে সামৰা পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) পিঠাৰ মেল | - পাঠ নং ৪ |
| খ) ড° বাণীকান্ত কাকতি | - পাঠ নং ৫ |
| গ) জোনাকৰ জেউতি | - পাঠ নং ৬ |
| ঘ) ফুল কোঁৱৰৰ গীত | - পাঠ নং ৭ |
| ঙ) ৰঙৰ ৰহস্য | - পাঠ নং ৮ |

**পাতনি ঃ** “শিক্ষাৰ অধিকাৰ আইন - ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সমআচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। পঠন ভাষা শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কৌশল। ই ভাষাৰ লিখিত ৰূপৰ পৰা অৰ্থ উলিওৱাৰ এক দক্ষতা। পঠন দক্ষতা দুটা গুৰুত্বপূৰ্ণ অৰ্হতাৰ ওপৰত নিৰ্ভৰশীল। মৌখিক ভাষাৰ বোধগম্যতা আৰু আখৰ, শব্দ আৰু বাক্যৰ লিখিত ৰূপক শুদ্ধ উচ্চাৰণেৰে আৰু যতি বিৰাম চিন ব্যৱহাৰ কৰি সলসলীয়াকৈ কম সময়ৰ ভিতৰত পঢ়ি তাৰ অৰ্থ বুজি পোৱা।

বিভিন্ন চৰকাৰী, বেচৰকাৰী, স্বেচ্ছাসেৱী অনুষ্ঠান (প্ৰথম) আদিৰ অধ্যয়ন তথা গৱেষণাৰ তথ্য অনুধাৱন কৰি জানিব পৰা গৈছে কিছু কিছু বিদ্যালয়ত মৌখিক ভাষা বিকাশৰ প্ৰতি গুৰুত্ব দিয়া নহয়। মৌখিক ভাষাৰ বিকাশ নহলে ছাত্ৰ-ছাত্ৰীৰ পঠন আৰু লিখন কৌশলৰ বিকাশ নহয়। ফলত ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা আহৰণতো বাধাৰ সৃষ্টি হয়। বৰ্তমান সময়ত **গুণোৎসৱ** আৰু **নাচ** (NAS) ৰ মূল্যায়নৰ তথ্যতো এই কথাৰ সত্যতা প্ৰমাণিত হৈছে। পঞ্চম শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পাঠ পঢ়ি যাওঁতে কিছুমান শব্দ এৰি এৰি পঢ়ে আৰু কিছুমান শব্দ শুদ্ধকৈ উচ্চাৰণ কৰি পঢ়িব নোৱাৰে। যুক্তাক্ষৰযুক্ত শব্দ কিছুমান (৫ নং পাঠত থকা) পঢ়োঁতে এৰি থৈ যায়। সেইদৰে পঠনৰ প্ৰয়োজনীয় উপাদান শ্বাসাঘাট, সুৰলহৰ আৰু যতি বিৰাম চিনৰ ব্যৱহাৰ কৰি পঢ়িব নোৱাৰে। ফলত পঢ়ি বুজি নাপায় আৰু সলসলীয়াকৈ পঢ়িব নজনাৰ বাবে পঠনৰ জৰিয়তে হ'ব পৰা পাঠৰ বোধ যথাৰ্থৰূপত নহয়, ফলত পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিয়াত অপাৰগ হয়।

ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫ (NCF-2005)তো পঠনৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। ভাষা শিক্ষাৰ মূলক্ষেত্ৰ হিচাপে পঠনৰ ওপৰত গুৰুত্ব দিয়া হৈছে দেখা গৈছে যে বিদ্যালয়ৰ পাঠ্যসূচী, তথ্যৰ বোজা আৰু মুখস্থ কৰা অনুশীলনৰ ওপৰত বেছি গুৰুত্ব দিয়াত পঢ়াৰ আনন্দ ছাত্ৰ-ছাত্ৰীয়ে হেৰুৱাই পেলাইছে। NCF-2005 পৰামৰ্শৱলীয়ে বিদ্যালয়ৰ প্ৰতিটো স্তৰতে ব্যক্তিগত পঠনৰ সুবিধা দিয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

পঠন স্বাভাৱিকভাৱে আয়ত্ত কৰিব পৰা দক্ষতা নহয়, ইয়াক যথেষ্ট প্ৰচেষ্টা আৰু অনুশীলনেৰে আয়ত্ত কৰিব পাৰি। সেয়েহে পঠন দক্ষতা আয়ত্ত কৰাৰক্ষেত্ৰত দেখা দিয়া দূৰ্বল দিশসমূহ চিনাক্ত কৰি ছাত্ৰ-ছাত্ৰীৰ শিকনত সহায় কৰিবলৈ শ্ৰেণীকক্ষত প্ৰয়োজনীয় ক্ৰিয়া-কলাপ আৰু পৰ্যাপ্ত পৰিমাণৰ অনুশীলনৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব দিয়া উচিত। সেয়েহে পঠন কৌশল বিকাশৰ বাবে পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ উপৰি কিছু নতুন ক্ৰিয়া-কলাপ এই সমলসামগ্ৰীত সন্নিৱিষ্ট কৰা হ'ল। শিক্ষক-শিক্ষয়িত্ৰীসকলে এই সমলটোৰ জৰিয়তে নতুন নতুন শিক্ষণ-শিকন প্ৰক্ৰিয়া উদ্ভাৱন কৰি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল পাব বুলি আশা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম -**

লিখিত পাঠ পঢ়ি বুজি পোৱাটোৱেই হৈছে পঠনৰ মূল লক্ষ্য। ভাষা শিকনত পঠন কৌশলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

⇨ অকল ভাষা শিকনেই নহয়, বিদ্যায়তনিক সকলোবোৰ বিষয় শিকিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতাৰ প্ৰয়োজন।

⇨ পঠন দক্ষতা অবিহনে পাঠ্যপুথিৰ বিষয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনোযোগ কমি যায়।

⇨ যিহেতু ব্যক্তি এগৰাকীয়ে ভাষাৰ জৰিয়তে চিন্তা-চৰ্চা কৰে, সেয়েহে ব্যক্তিৰ পঠন অবিহনে তেওঁৰ চিন্তা চৰ্চা কৰাৰ দক্ষতা সীমিত হৈ থাকে।

**এই সমলসামগ্ৰীৰ পৰা আমি কি শিকিব পাৰিম ঃ**

এই সমলখিনি অধ্যয়ন কৰি শিক্ষক হিচাপে আমি পঠন দক্ষতা বিকাশৰ বাবে

⇨ সকলো ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে পাঠৰ লগত সংগতি থকা ক্ৰিয়া-কলাপ, অনুশীলনৰ আগতীয়া পৰিকল্পনা কৰিব পাৰিম।

⇨ আৰম্ভণিৰে পৰা সঠিকভাৱে পঠনৰ ওপৰত গুৰুত্ব দিবলৈ চেষ্টা কৰিব পাৰি।

⇨ পঠনৰ দুৰ্বল দিশসমূহ চিনাক্তকৰণ কৰি বাৰে বাৰে অভ্যাস, অনুশীলনৰ যোগেদি দুৰ্বলতাসমূহ দূৰীকৰণৰ বাবে চেষ্টা কৰিব পাৰি।

⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াত(পঠনৰ) অবিৰত মূল্যায়ন কৰিবলৈ সুবিধা পাম।

⇨ ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা বিকাশৰ লগতে আত্মমূল্যায়ন কৰিবলৈ সুবিধা পাম।

⇨ নতুন নতুন উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

**পঠন দক্ষতা বিকাশৰ ব্যৱস্থাৱলী ঃ**

**ক) যুক্তাক্ষৰ (উচ্চাৰণ)**

⇨ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ উচ্চাৰণেৰে সৈতে পঢ়িব পৰা হ'ব ( যুক্তাক্ষৰ থকা বাক্য)

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব পৰা হ'ব।

নিৰ্দিষ্ট যুক্তাক্ষৰ সমূহ ঃ

পাঠ নং ৫ ঃ ক্ত, ক্ট, স্প, হ্ব, স্ত্ৰ, ত্ম, স্তৃ, শ্ল, ষ্ঠ,জ্ঞ, স্থ, ত্ৰ।

পাঠ নং ৬ ঃ দ্ব, স্ত, দ্ধ, দ্ৰু, দ্ৰ।

পাঠ নং ৭ ঃ স্ক।

পাঠ নং ৮ ঃ ঞ্চ, স্থ, ঙ্ক, ণ্ড, ঞ্জ।

**ব্যৱস্থাৱলী ঃ**

শ্ৰেণীকোঠাত পাঠ পঢ়িবলৈ দিলে দেখা যায়, কিছুমান ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দবোৰ পঢ়োঁতে শুদ্ধকৈ উচ্চাৰণ কৰি পঢ়িব নোৱাৰে। এনে ক্ষেত্ৰত শিক্ষক হিচাপে আমি কেনেধৰণৰ ব্যৱস্থা ল'ব পাৰোঁ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে জানিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপত উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
| ১(ক) ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধকৈ উচ্চাৰণ কৰি যুক্তাক্ষৰযুক্ত শব্দ পঢ়িব পাৰিব।<br><br>খ) যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব পাৰিব। | পাঠ্যপুথি<br>যুক্তাক্ষৰযুক্ত শব্দ কাৰ্ড<br><br>বৰ্ণ কাৰ্ড, যুক্তাক্ষৰযুক্ত কাৰ্ড | ক্ৰিয়া-কলাপ<br><br>ক্ৰিয়াক-কলাপ | **ক)**'ড'বাণীকান্ত কাকতি' পাঠটো পঢ়ি তাত পোৱা যুক্তাক্ষৰযুক্ত শব্দবোৰ বাছি উলিয়াই টোকাবহীত লিখা। শব্দবোৰত ব্যৱহাৰ হোৱা যুক্তাক্ষৰকেইটাৰ এখন তালিকা প্ৰস্তুত কৰি পঢ়া।<br><br>**খ)** তলত দিয়া যুক্তাক্ষৰ কেইটা ভঙা - ক্ত, স্প, স্থ, স্ত, শ্ল, দ্ৰু, গ্ধ, স্ত্ৰ, স্থ<br>**গ)** তলৰ বৰ্ণ কেইটাৰ পৰা দুটাকৈ বৰ্ণ সংযোগ কৰি যুক্তাক্ষৰ গঠন কৰি পঢ়া।<br>ন, ব, ল, জ, ঞ, ত, ৰ | অ বি ৰ ত আ ৰু সা ম গ্ৰী ক মূ ল্যা য় ন |
| ২) দাড়ি, কমা, প্ৰশ্নবোধক, উৰ্ধকমাৰ ব্যৱহাৰ কৰিব বেগ বৃদ্ধি কৰি পঢ়িব পাৰিব। | যতিচিহ্ন যুক্ত বাক্যকাৰ্ড, পাঠ্যপুথি। | ক্ৰিয়া-কলাপ | **ক)** তলৰ দফাটোত যতিচিহ্ন বহুওৱা আৰু পঢ়া।<br>কথাতে কয় 'যি মূলা বাঢ়ে তাৰ দুপাতততে চিন।' এই কথাষাৰ ডক্টৰ বাণীকান্ত কাকতিৰ জীৱনত প্ৰতিফলিত হৈছিল। সৰুৰে পৰাই সকলো কথা আঁতিগুৰি মাৰি জানিবলৈ তেখেতৰ আগ্ৰহ আছিল। তেখেতে ওৰেটো জীৱন জ্ঞান অৰ্জনত আত্মনিয়োগ কৰিছিল। ইয়াৰ ফলত কেইবাখনো মহৎ গ্ৰন্থ তেখেতৰ কাপৰ পৰা নিগৰি ওলাইছিল। সেই বিলাকৰ ভিতৰত গৱেষণা গ্ৰন্থখন বিশেষভাৱে উল্লেখযোগ্য। এই গ্ৰন্থত অসমীয়া ভাষাৰ উৎপত্তি, ইয়াৰ শব্দ-ভাণ্ডাৰ আৰু বিশেষত্ব সম্পৰ্কে বিস্তৃত বিশ্লেষণ আছে।"<br><br>**খ)** তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ দিয়া<br>• বাক্যত প্ৰশ্নবোধক চিন কেতিয়া ব্যৱহাৰ কৰা হয়?<br>• ভাৱবোধক চিনৰ ব্যৱহাৰ কি বুজায়? | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study)

**প্ৰস্তুতি ঃ**

শিক্ষণ-শিকন সামগ্ৰী

⇨ যুক্তাক্ষৰযুক্ত শব্দকাৰ্ড।

⇨ বৰ্ণ কাৰ্ড।

⇨ যুক্তাক্ষৰযুক্ত শব্দৰ তালিকা।

⇨ আৰ্ট পেপাৰ।

যুক্তাক্ষৰযুক্ত শব্দবোৰ পঠনৰ বাবে ক্ৰিয়া-কলাপ

অনন্ত বৰ্মণ নলবাৰীৰ ওচৰৰ এখন গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। তেখেতে পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক ৫ নং পাঠটো পঢ়িবলৈ দিওঁতে মন কৰিলে যে,

⇨ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি যাওঁতে কিছুমানে শব্দ এৰি পঢ়ে।

⇨ যুক্তাক্ষৰযুক্ত শব্দবোৰ কিছুমান ঘেঁহাই পঢ়ে।

⇨ কিছুমানে এনে শব্দ পঢ়িব নোৱাৰে।

তেখেতে মন কৰিলে যে, এইদৰে এৰি থৈ পঢ়া বেছিভাগ শব্দ যুক্তাক্ষৰযুক্ত শব্দ। পঠনৰ ক্ষেত্ৰত দেখা দিয়া পাঠৰ যুক্তাক্ষৰযুক্ত শব্দবোৰ পঢ়িব নোৱৰা আৰু পঢ়ি বুজি নোপোৱা এই ধূসৰ ক্ষেত্ৰৰ ছাত্ৰ-ছাত্ৰীক বাছি উলিয়াই সমাধানৰ কাৰণে তেখেতে কি পদক্ষেপ লৈছিল চাওঁ আহক।

পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পাঠ পঢ়িবলৈ দিওঁতে তেখেতে মন কৰিছিল যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ যুক্ত শব্দ উচ্চাৰণ কৰি পঢ়িব নোৱাৰে, কিছুমান ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ যুক্ত শব্দবোৰ এৰি এৰি পঢ়ে। এই সমস্যাৰ সমাধানৰ বাবে তেখেতে আৰম্ভণিতে এটা পৰিকল্পনা কৰিলে। তলত ১ নং তালিকাত দিয়া ধৰণেৰে ৫ নং পাঠটোত পোৱা যুক্তাক্ষৰযুক্ত শব্দবোৰ উলিয়াই ললে।

**১ নং তালিকা**

| | | | | | |
|---|---|---|---|---|---|
| ডাক্তৰ | ডক্টৰেট | সম্পন্ন | বিজ্ঞানী | শ্ৰদ্ধা | নিষ্ঠা |
| বিশ্লেষণ | বিস্তৃত | শাস্ত্ৰ | আত্মসন্মান বোধ | গ্ৰন্থ | ডেভলপ্‌মেন্ট |

এইবাৰ শব্দবোৰত থকা যুক্তাক্ষৰবোৰ বাছি ২নং তালিকাত লিখিলো।

**২ নং তালিকা**

| | | | | | |
|---|---|---|---|---|---|
| ক্ত | ক্ট | ম্প/ন্ন | জ্ঞ | দ্ধ | ষ্ঠ |
| শ্ল | স্তৃ | স্ত্ৰ | ত্ম/ন্ম | ন্থ | ন্ট |

তেখেতে চিন্তা কৰিলে, যে ছাত্ৰ-ছাত্ৰীক মুখেৰে পঢ়ি যোৱাৰ সমান্তৰালকৈ শিকন সমলেৰে শিকালে বেছি ফলপ্ৰসূ হ'ব। এই উদ্দেশ্য আগত ৰাখি আৰ্ট পেপাৰ বা পুৰণি কেলেণ্ডাৰ কাটি কিছুমান বৰ্ণকাৰ্ড তৈয়াৰ কৰি ললে।

যেনে ঃ - জ + ঞ = জ্ঞ

এনেদৰে পাঠটোত পোৱা আটাইকেইটা যুক্তাক্ষৰ কাৰ্ডত লিখি ভাগ ভাগকৈ শিকন কোণত থলে। প্ৰত্যেক বেঞ্চতে একোটা যুক্তাক্ষৰৰ চেট দলগতভাৱে পৰ্যৱেক্ষণ কৰি চাবলৈ দিলে। এইবাৰ ব্যক্তিগত ভাৱে কাৰ্ডবোৰ মিলাই যুক্তাক্ষৰ পঢ়িবলৈ দিলে। দুৰ্বল ছাত্ৰ-ছাত্ৰীক বাৰে বাৰে পঢ়িবলৈ দিলে। এনেদৰে প্ৰত্যেকেই কাৰ্ডবোৰ সলাই সলাই পঢ়িবলৈ সুযোগ পালে।

পুনৰ তালিকাত থকা যুক্তাক্ষৰযুক্ত শব্দবোৰ ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিলে। এনেদৰে কাৰ্ডত পঢ়ি, তালিকাত শব্দবোৰ বাৰে বাৰে পঢ়ি অনুশীলন কৰাৰ পিছত পুনৰ পাঠ পঠন কৰিবলৈ দিওঁতে দেখা গ'ল যে ছাত্ৰ-ছাত্ৰীয়ে আগতকৈ যথেষ্ট সলসলীয়াকৈ যুক্তাক্ষৰযুক্ত শব্দ পঢ়িব পাৰিছে। লক্ষণীয় কথা - এই কাৰ্যত শ্ৰেণীকক্ষৰ সকলো ছাত্ৰ-ছাত্ৰী জড়িত হৈছিল। ছাত্ৰ-ছাত্ৰীয়ে নিজেই কাৰ্ডত যুক্তাক্ষৰ গঠন কৰি পঢ়িছিল

বাবে বুজি পাইছিল। পুনৰ দৃঢ়ীকৰণৰ বাবে তেখেতে ছাত্ৰ-ছাত্ৰীক বাতৰি-কাকতৰ দফা পঢ়িবলৈ দিলে। দফাত পোৱা যুক্তাক্ষৰযুক্ত শব্দবোৰৰ তলত ৰঙীন পেঞ্চিলেৰে আঁচ টানিবলৈ দিছিলোঁ আৰু সেই শব্দবোৰেৰে বাক্য ৰচনা কৰিবলৈ দিলে।

**চিন্তাকৰি চাওঁ আহক ঃ**

⇨ অনন্ত বৰ্মণে ছাত্ৰ-ছাত্ৰীৰ যুক্তাক্ষৰ পঠনত থকা দুৰ্বলতা কেনেকৈ চিনাক্ত কৰিছিল?

⇨ অনন্ত বৰ্মণে যুক্তাক্ষৰ শিকাবৰ বাবে কৰা ক্ৰিয়া-কলাপত কি এনে বিশেষ বৈশিষ্ট্য আছিল যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে ক্ৰিয়া-কলাপ কৰি ভাল পাইছিল।

⇨ বাৰে বাৰে অনুশীলন কৰিলে যুক্তাক্ষৰ শুদ্ধভাৱে উচ্চাৰণ কৰি পঢ়িব পাৰিব বুলি তেখেতে ভাবিছে। আপুনিও ভাবেনে?

ওপৰত বৰ্ণনা কৰা অনন্ত বৰ্মণ ছাৰৰ ক্ৰিয়া-কলাপটোৰ আলমত তলত দিয়া ধৰণে আমিও আমাৰ শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপ কৰি চাওঁ আহক -

ক্ৰিয়া-কলাপ ঃ ১

ছাত্ৰ-ছাত্ৰীয়ে যাতে সহজে যুক্তাক্ষৰ মনত ৰাখিব পাৰে তাৰ বাবে শ্ৰেণীকক্ষত আমি শিক্ষণ-শিকন সঁজুলিৰ সহায়ত ক্ৰিয়া-কলাপ কৰিব পাৰোঁ।

প্ৰস্তুতি ঃ এই ক্ৰিয়া-কলাপটো আদান-প্ৰদানৰ কাৰণে আমি তলত দিয়া ধৰণে কিছুমান শিক্ষণ-শিকন সামগ্ৰী আগতীয়াকৈ প্ৰস্তুত কৰি ল'ব পাৰোঁ।

⇨ বৰ্ণ কাৰ্ড

⇨ যুক্তাক্ষৰ কাৰ্ড

⇨ যুক্তাক্ষৰযুক্ত শব্দ চাৰ্ট

প্ৰথমতে পাঠত থকা যুক্তাক্ষৰবোৰ উলিয়াই প্ৰয়োজন মতে আগতীয়াকৈ বৰ্ণ-কাৰ্ড প্ৰস্তুত কৰি ললোঁ। উদাহৰণস্বৰূপে - জ্ঞ যুক্তাক্ষৰটো শিকাবৰ বাবে ৫ খন কাৰ্ড প্ৰস্তুত কৰিলোঁ।

| জ | + | ঞ | = | জ্ঞ |
|---|---|---|---|---|

এনেদৰে কাৰ্ডবোৰ লিখি ওপৰফালে ফিটা লগাই ডিঙিত পিন্ধিব পৰা কৰিলৈ পাঠত থকা যি কেইটা যুক্তাক্ষৰ শিকাম, সেই অনুসৰি কাৰ্ড তৈয়াৰ কৰি ললোঁ। এতিয়া ৫ জন ছাত্ৰ-ছাত্ৰীক মাতি আনি ১ নং চেটৰ কাৰ্ডবোৰ প্ৰত্যেককে এখনকৈ পিন্ধিবলৈ দিম।

প্ৰথম জনে - 'জ' বৰ্ণৰ কাৰ্ডখন পিন্ধিব।

দ্বিতীয় জনে - '+' চিনৰ কাৰ্ডখন পিন্ধিব।

তৃতীয় জনে - 'ঞ' বৰ্ণৰ কাৰ্ডখন পিন্ধিব।

চতুৰ্থ জনে - '= ' চিনৰ কাৰ্ডখন পিন্ধিব।

পঞ্চম জনে - 'জ্ঞ' যুক্তাক্ষৰৰ কাৰ্ডখন পিন্ধি শাৰীপাতি থিয় হ'বলৈ দি শ্ৰেণীৰ যিকোনো এজন ছাত্ৰ/ছাত্ৰীক মাতি আনি ছাত্ৰ-ছাত্ৰীয়ে পিন্ধি থকা কাৰ্ডবোৰ পঢ়িবলৈ দিলোঁ। নোৱাৰিলে মই সহায় কৰিলোঁ।

এনেদৰে পাঠত থকা যুক্তাক্ষৰবোৰ শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীৰ সহায়ত গঠন কৰিবলৈ দিলোঁ। ছাত্ৰ-ছাত্ৰীয়ে গঠন কৰা যুক্তাক্ষৰবোৰ বোৰ্ডত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা লিখিবলৈ দিলোঁ। ছাত্ৰ-ছাত্ৰীসকলক শিকোৱা যুক্তাক্ষৰকেইটা শব্দ চাৰ্টত পুনৰ পঢ়িবলৈ দিলোঁ। পুনৰ আলোচনা কৰা যুক্তাক্ষৰকেইটাৰে গঠন কৰা শব্দ, যেনে-ডাক্তৰ, ঈৰ্ষা, বিশ্লেষণ, নিষ্ঠা, বিজ্ঞান আদি বোৰ্ডত লিখি প্ৰত্যেককে বাক্য-ৰচনা কৰিবলৈ দিলোঁ।

ক্ৰিয়া-কলাপ ঃ ২

পাঠ্যপুথিৰ ৫, ৬, ৭, ৮ পাঠত থকা যুক্তাক্ষৰযুক্ত শব্দত ব্যৱহাৰ হোৱা যুক্তাক্ষৰসমূহৰ তালিকাসমূহ আগতীয়াকৈ প্ৰস্তুত কৰি ল'ব লাগে। শ্ৰেণীকক্ষত ড° বাণীকান্ত কাকতি পাঠটো পাঠদান কৰাৰ পাছত পাঠত থকা যুক্তাক্ষৰকেইটা বাছি উলিয়াই এখন চাৰ্টত লিখি আঁৰি দিব পাৰি। প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলক

যুক্তাক্ষৰকেইটা পঢ়িবলৈ দিব পাৰি। নোৱাৰিলে শিক্ষকে সহায় কৰি দিব। প্ৰত্যেকে পঢ়িব পাৰিলে ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা যিকোনো এজনক বোৰ্ডৰ ওচৰলৈ মাতি আনি এটা যুক্তাক্ষৰ বাছি দিব আৰু তেওঁ যুক্তাক্ষৰটো কি কি বৰ্ণ যোগ হৈ গঠিত হৈছে বোৰ্ডত লিখি পঢ়িবলৈ দিব পাৰি। এনেদৰে শ্ৰেণীকোঠাত সকলো ধৰণৰ ছাত্ৰ-ছাত্ৰীক জড়িত কৰাই এনেধৰণে ক্ৰিয়া-কলাপ বাৰে বাৰে কৰাব পাৰি।

*বিঃদ্ৰঃ - শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

**সাৰাংশ ঃ**

ছাত্ৰ-ছাত্ৰীসকলে

- ⇨ পঠনৰ দুৰ্বলতা দূৰ কৰিবলৈ বিভিন্ন ক্ৰিয়া-কলাপ আৰু অনুশীলনী কৰিছে।
- ⇨ যুক্তাক্ষৰযুক্ত শব্দবোৰ শুদ্ধ উচ্চাৰণেৰে পঢ়িব পাৰিছে।
- ⇨ যতি বিৰাম চিহ্নৰ ব্যৱহাৰ কৰি পঢ়িব পাৰিছে।

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহকচোন -

- ⇨ ড° বাণীকান্ত কাকতি পাঠটো পঢ়ি তাত পোৱা যুক্তাক্ষৰযুক্ত শব্দবোৰ বাছি উলিয়াই টোকাবহীত লিখা। শব্দবোৰত ব্যৱহাৰ হোৱা যুক্তাক্ষৰকেইটাৰ এখন তালিকা প্ৰস্তুত কৰি পঢ়া।
- ⇨ তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙি পঢ়া।
  ক্ত, মপ, ষ্ট, স্তৃ, শ্ল, দ্ৰু, ঙ্ধ, ন্ধ, ত্ৰ, স্থ।
- ⇨ পাঠ নং ৬ 'জোনাকৰ জেউতি' পাঠত থকা দ্ব, দ্ৰু, দ্ৰ এই যুক্তাক্ষৰকেইটা ভাঙি দেখুওৱা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

- ⇨ তলত দিয়া যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি একোটাকৈ শব্দ লিখি সেই শব্দটোৰে বাক্য সাজা -
  ক্ত, ক্ট, ৰ্ষ, ন্ত, জ্ঞ, স্তৃ, ম্প।
- ⇨ তলত দিয়া শব্দকেইটাত থকা যুক্তাক্ষৰবোৰ বাছি উলিয়াই ভাঙি দেখুওৱা-
  আত্মা, ডাক্তৰ, সংশ্লেষণ, গ্ৰহণ, পন্থা, জ্বৰ।
- ⇨ তলৰ বৰ্ণকেইটা সংযোগ কৰি যুক্তাক্ষৰ গঠন কৰা -
  ন, ব, ল, জ ঞ, ত, ৰ।

**পঠন দক্ষতা বিকাশৰ ব্যৱস্থাৱলীঃ**

**খ) যতিচিহ্ন ঃ**

পঢ়ি যাওঁতে পোৱা যদি চিহ্নৰ শুদ্ধ ব্যৱহাৰ কৰিব পৰা -

পাঠ নং - ৪ ত দাড়ি, কমা, প্ৰশ্নবোধক, ভাৱবোধক চিনৰ ব্যৱহাৰ।

পাঠ নং - ৫ ত উৰ্ধকমাৰ ব্যৱহাৰ।

পাঠ নং - ৬ ত প্ৰত্যক্ষ উক্তিত উৰ্ধকমাৰ ব্যৱহাৰ।

পাঠ নং - ৭ ত দাড়ি, কমা, উৰ্ধকমা, প্ৰশ্নবোধক, ভাৱবোধক চিনৰ ব্যৱহাৰ।

শ্ৰেণীকক্ষত কথা কওঁতে বা পাঠ পঢ়োঁতে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে যতি বা বিৰতিৰ ব্যৱহাৰ কৰিব নাজানে। শিক্ষক হিচাপে আমি এই কথাও মনত ৰাখিব লাগিব যে ছাত্ৰ-ছাত্ৰীয়ে দাড়ি, কমা, উৰ্ধকমা, প্ৰশ্নবোধক আদি যতিচিহ্নৰ ব্যৱহাৰ পঠনৰ পৰাই শিকে। পঢ়োঁতে ছাত্ৰ-ছাত্ৰীক যথাযথ ঠাইত কেনেদৰে বিৰাম দিবলৈ আৰু প্ৰশ্নবোধক বা ভাৱবোধক সুৰ লহৰ কেনেদৰে প্ৰয়োগ কৰিবলৈ শিকাব পাৰি এই বিষয়ে শিক্ষয়িত্ৰী ৰীতা বৰুৱাৰ বিশেষ ক্ষেত্ৰ অধ্যয়নৰ পৰা চাওঁ আহক।

**ক্ষেত্ৰ অধ্যয়ন ঃ**

ৰীতা বৰুৱা গোলাঘাটৰ ওচৰৰ এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। তেখেতে পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পাঠ পঢ়িবলৈ দিওঁতে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত দেখা পাইছিল -

- ⇨ পঢ়ি যাওঁতে বিৰাম নোহোৱাকৈ পঢ়ি যায়।
- ⇨ দাড়ি, কমা, চেমিকোলন, প্ৰশ্নবোধক, ভাৱবোধক একো চিনেই ব্যৱহাৰ নকৰে।

⇨ ফলত পাঠটোৰ মূলভাৱ বুজি পোৱাত অসুবিধা হয়।

ছাত্ৰ-ছাত্ৰীৰ এই সমস্যা সমাধান কৰিবলৈ ৰীতা বৰুৱাই কি পদক্ষেপ লৈছিল চাওঁ আহকচোঁন। পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পাঠ পঢ়িবলৈ দিওঁতে মন কৰিছিল যে ছাত্ৰ-ছাত্ৰী কিছুমানে একেলেথাৰিয়ে পঢ়ি যায়। যতি চিনৰ ব্যৱহাৰ নকৰে। ফলত পাঠত থকা মূলভাৱৰ সৈতে জড়িত হ'ব নোৱাৰে। পাঠৰ অৰ্থ বুজি পোৱাত অসুবিধা পায়, উদাহৰণ স্বৰূপে -

১ নং বাক্য - গ্ৰন্থমেলাত কিবা নতুন কিতাপ কিনিছা নেকি? (প্ৰশ্নবোধক)

২ নং বাক্য - বাঃ বাঃ আজি আমি গ্ৰন্থমেলালৈ যাম। (ভাৱবোধক)

১ নং আৰু ২ নং বাক্যৰ অৰ্থ একে নহয়। এনেই পঢ়ি গ'লে বাক্যকেইটাৰ অৰ্থ প্ৰকাশ নাপায়, ফলত পঠনবোধ নহয়। তেখেতে এনেধৰণৰ দৃষ্টিভংগী আগত ৰাখি যতি চিহ্ন সহজকৈ শিকাবৰ বাবে চেষ্টা কৰিছিলে। এই ক্ৰিয়া-কলাপটো শ্ৰেণীকক্ষত কৰাবৰ বাবে তেখেতে আগতীয়াকৈ কিছুমান বাক্য কাৰ্ড প্ৰস্তুত কৰিছিল। প্ৰতিখন বাক্য কাৰ্ড, দাড়ি, কমা, প্ৰশ্নবোধক, ভাৱবোধক, উৰ্ধকমা চিনযুক্ত বাক্যৰে সজাই লৈছিল।

উদাহৰণ স্বৰূপে ঃ- দাড়ি চিন ব্যৱহাৰ কৰা কাৰ্ডৰ নমুনা -

১) ডাক্তৰ বুলি ভবা এই ব্যক্তি গৰাকীয়েই হ'ল ড° বাণীকান্ত কাকতি।

কমা চিনযুক্ত কাৰ্ডৰ নমুনা

২) নীলা আকাশ, বহুৰঙী ৰামধেনু, উদয় হোৱা বা অস্ত যোৱা বেলিৰ ৰঙে সকলোৰে মন মুগ্ধ কৰে।

প্ৰশ্নবোধক চিনযুক্ত কাৰ্ডৰ নমুনা

৩) আমি ভিন ভিন ৰং কিয় দেখিবলৈ পাওঁ?

উৰ্ধকমা চিন যুক্ত বাক্যৰ নমুনা

৪) 'ৰং কিনিবা কোনে অ' ৰং কিনিবা কোনে?
মোনা ভৰাই ৰং আনিছোঁ কিনা মোনে মোনে।"

ভাৱবোধক চিনযুক্ত কাৰ্ডৰ নমুনা -

৫) ৰূপকথাৰ যাদুকৰৰ দৰে আমিও মৌ-মাখি বা ঘঁৰিয়াল হৈ এবাৰ ধৰাখন চাব পৰা হ'লে কেনে মজাৰ কথা হ'লহেঁতেন!

এনেধৰণৰ বিভিন্ন যতিচিহ্ন যুক্ত বাক্য কাৰ্ড ৰীতা বৰুৱাই পাঠ্যপুথিৰ পৰা, বাতৰি কাকতৰ পৰা প্ৰস্তুত কৰিছিল। এই পঠন সামগ্ৰীৰ সহায়ত দূৰ্বল ছাত্ৰ-ছাত্ৰীক পঠনৰ যতি চিহ্নৰ ব্যৱহাৰ সম্পৰ্কে আদৰ্শ পঠন দিছিল। সিহঁতক বাৰে বাৰে বিভিন্ন যতিচিহ্ন যুক্ত বাক্যবোৰ পঢ়ি শুনাইছিল। প্ৰশ্নবোধক, ভাৱবোধক চিন অনুসৰি বাক্যৰ পঠন ভংগী কেনেদৰে সলনি হয় তাক সুৰ-লহৰ প্ৰয়োগ কৰি ছাত্ৰ-ছাত্ৰীৰ অভ্যাস কৰিবলৈ দিছিল। ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দলত ভাগ কৰি পাঁচ প্ৰকাৰৰ যতি চিহ্ন থকা বাক্য কাৰ্ড দিছিল। দলৰ প্ৰত্যেকেই কাৰ্ডত থকা যতিচিহ্ন সমূহ ব্যৱহাৰ কৰি শুদ্ধভাৱে পঢ়িব পৰা হ'লে কিছুমান দফা কাৰ্ড দলৰ মাজত আলোচনা কৰি পঢ়িবলৈ দিছিল। তেখেতে বাতৰি কাকতৰ শিশু চৰাৰ কিছুমান সৰু দফা বাছি উলিয়াইছিল। যিবোৰত বিভিন্ন যতিচিহ্নৰ ব্যৱহাৰ আছে। দুৰ্বল ছাত্ৰ-ছাত্ৰীক দফাসমূহ শুদ্ধকৈ যতিচিহ্ন ব্যৱহাৰ কৰি পঢ়িবলৈ দিয়া হৈছিল। তেনে ছাত্ৰ-ছাত্ৰীক বাৰে বাৰে অনুশীলন কৰিবলৈ দিছিল। তেখেতে মন কৰিছিল যে দুৰ্বল ছাত্ৰ-ছাত্ৰীয়ে লাহে লাহে পঢ়াৰ সঠিক কৌশল আয়ত্ত কৰিব পাৰিছে।

এনেদৰে ৰীতা বৰুৱাই পঠনত যতিচিহ্নৰ ব্যৱহাৰ কেনেকৈ সঠিক ৰূপত কৰিব পাৰি তাৰ বাবে কিছুমান উপায় উলিয়াইছিল আৰু ছাত্ৰ-ছাত্ৰীৰ যতিচিহ্ন ব্যৱহাৰত থকা পঠন দুৰ্বলতা দূৰ কৰিছিল। তেখেতে পাঠ পঢ়িবলৈ দিওঁতে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলক অগ্ৰাধিকাৰ দিছিল। প্ৰধান শিক্ষকক অনুৰোধ কৰি ৰুটিনত এটা পঠনৰ অতিৰিক্ত পিৰিয়দ নিয়মীয়াকৈ ভৰাইছিল। ছাত্ৰ-ছাত্ৰীক অধিক আগ্ৰহী কৰিবৰ বাবে তেখেতে কিছুমান দফা প্ৰস্তুত কৰিছিল য'ত এটাও যতিচিহ্ন দিয়া নাছিল। তাত ক'ত কি যতিচিহ্ন ব্যৱহাৰ হয় - সেইমতে ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলক পঢ়িবলৈ দিছিল।

**চিন্তাকৰি চাওঁ আহক ঃ**

⇨ ৰীতা বৰুৱাই যতিচিহ্নৰ সঠিক ব্যৱহাৰত অধিক কিয় গুৰুত্ব দিছিল ?

⇨ ৰীতা বৰুৱাই বাক্য কাৰ্ড, দফা কাৰ্ডৰ কিয় সহায় ল'ব লগা হ'ল ?

⇨ অনুশীলনৰ অবিহনে এইবোৰ আয়ত্ত কৰিব পাৰি নেকি ?

⇨ পেপাৰ কাটিঙৰ দফা পঠনে ছাত্ৰ-ছাত্ৰীক পাঠ বহিৰ্ভূত পঠনৰ লগত কেনেদৰে চিনাকি কৰি দিয়ে ?

ওপৰৰ ক্ষেত্ৰ অধ্যয়নৰ পৰা দেখা গ'ল যে ৰীতা বৰুৱাই ছাত্ৰ-ছাত্ৰীক পঠন কৌশল বিকাশৰ বাবে বৰ্ণ, শব্দ আৰু বাক্যৰ লিখিত ৰূপৰ উচ্চাৰণেৰে স্পষ্টকৈ যতি, বিৰাম চিন ব্যৱহাৰ কৰি সলসলীয়াকৈ পঢ়ি বুজি পোৱাৰ ওপৰত গুৰুত্ব দিছিল। তেখেতে ছাত্ৰ-ছাত্ৰীৰ এই শিকন ঘাটি পুৰণৰ বাবে কিছু নতুন ধৰণৰ ক্ৰিয়া-কলাপ প্ৰয়োগ কৰিছিল আৰু সুফলো লাভ কৰিছিল।

**সাৰাংশ ঃ** পঠন দুৰ্বলতা দূৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ প্ৰয়োজন। আখৰ, শব্দ, বাক্যৰ লিখিত ৰূপক, যতি চিহ্নৰ ব্যৱহাৰ কৰি পঢ়ি বুজি পোৱাটোৱেই হৈছে পঠনবোধ। পাঠত থকা বিষয়বস্তুক পঢ়ি বুজি পালেহে বিষয়ৰ মাজলৈ সোমাব পাৰি। পাঠৰ প্ৰকাৰ অনুসৰি পঠনৰ ধৰণো বেলেগ বেলেগ হ'ব পাৰে। যতি চিহ্নৰ শুদ্ধ ব্যৱহাৰ জানিলেহে পঠন অৰ্হতা আয়ত্ত কৰিব পাৰি।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে এই ধৰণে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহকচোন ঃ-

⇨ তলৰ দফাটোত যতি চিহ্ন ব্যৱহাৰ কৰি দফাটো ডাঙৰ ডাঙৰকৈ পঢ়া।

'কথাতে কয় যি মূলা বাঢ়ে দুপাততে চিন' - এই কথাষাৰ ডক্টৰ বাণীকান্ত কাকতিৰ জীৱনত প্ৰতিফলিত হৈছিল সৰুৰে পৰাই সকলো কথা আঁতিগুৰি মাৰি জানিবলৈ তেখেতৰ আগ্ৰহ আছিল তেখেতে ওৰেটো জীৱন জ্ঞান আহৰণত আত্মনিয়োগ কৰিছিল ইয়াৰ ফলত কেইবাখনো মহৎগ্ৰন্থ তেখেতৰ কাপৰ পৰা নিগৰি ওলাইছিল। সেই বিলাকৰ ভিতৰত গৱেষণা গ্ৰন্থখন বিশেষভাৱে উল্লেখযোগ্য। এই গ্ৰন্থত অসমীয়া ভাষাৰ উৎপত্তি ইয়াৰ শব্দ ভাণ্ডাৰ আৰু বিশেষত্ব সম্পৰ্কে বিস্তৃত বিশ্লেষণ আছে।

⇨ তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ দিয়া।

ক) বাক্যত প্ৰশ্নবোধক চিন কেতিয়া ব্যৱহাৰ কৰো ?

খ) ভাৱবোধক চিনৰ ব্যৱহাৰে কি বুজায় ?

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনীঃ**

⇨ 'ড° বাণীকান্ত কাকতি' পাঠটো পঢ়ি তাত পোৱা যুক্তাক্ষৰযুক্ত শব্দবোৰ বাছি উলিয়াই টোকাবহীত লিখা। শব্দবোৰত ব্যৱহাৰ হোৱা যুক্তাক্ষৰকেইটাৰ এখন তালিকা প্ৰস্তুত কৰি পঢ়া।

⇨ তলত দিয়া যুক্তাক্ষৰ কেইটা ভঙা -
ক্ত, স্প, স্থ, স্ত, শ্ল, দ্ৰু, গ্ধ, স্ত্ৰ, স্থ

⇨ তলৰ বৰ্ণ কেইটাৰ পৰা দুটাকৈ বৰ্ণ সংযোগ কৰি যুক্তাক্ষৰ গঠন কৰি পঢ়া।
ন, ব, ল, জ, ঞ, ত, ৰ

⇨ পাঠ নং ৮ - 'ৰঙৰ ৰহস্য' পাঠটিত কি কি যতিচিহ্ন ব্যৱহাৰ হৈছে বাছি উলিওৱা।

⇨ দাড়ি, কমা, প্ৰশ্নবোধক চিন, চেমিকোলন চিন ব্যৱহাৰ কৰি এটা দফা লিখা আৰু পঢ়া।

⇨ ভাৱবোধক চিন ব্যৱহাৰ কৰি ৫ টা বাক্য সাজি পঢ়া।

**প্ৰসঙ্গ টোকা ঃ**

⇨ অংকুৰণ (পঞ্চম ভাগ) ।

⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ - ড° গোলোক চন্দ্ৰ গোস্বামী।

⇨ ধ্বনি বিজ্ঞানৰ ভূমিকা - ড° গোলোক চন্দ্ৰ গোস্বামী।

⇨ অসমীয়া আখৰ জেঁটনিৰ কথা - শিৱনাথ বৰ্মন।

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।



***